আৰু সন্মানজনক সেইটোও তেওঁ সহজেই বুজি গ'ল। পুলিছ ছাব-ইন্সপেক্টৰৰ চাকৰি ওলোৱাৰ খবৰ পায়েই ৰাজখোৱা চিধাই গৈ স্থানীয় এম এল এজনৰ কোৱাৰ্টাৰ পালেগৈ। পুৰণি চিনাকি আছিলেই। হাতত লৈ যোৱা টকা বিছ হাজাৰ এম এল এ ডাঙৰীয়াক দি নামটো লিখাই আহিল। সময়ত লিষ্টত নামো ওলাল। আন্দোলন এৰি আন্দোলনকাৰীৰ পিঠিত সৌকা মেলাৰ ক্ষমতা লৈ ৰাজখোৱাই খাকী পোছাক গাত সুমুৱালে। বাহুত দুটা তৰা, কাষলতিৰ তলত লাঠী আৰু কঁকালত পিষ্টল ওলমাই অৰবিন্দ ৰাজখোৱা এইবাৰ পকা পুলিছ হৈ গ'ল।

কি মজাৰ দিন আছিল সেইবোৰ। স্কুল-কলেজৰপৰা ওলাই চিধাই গৈ মন্ত্ৰী হোৱা ফুকলীয়া ল'ৰা কিছুমানৰ চৰকাৰ। শাসনৰ 'শ'টোকে বুজি নোপোৱা মন্ত্ৰী, নেতা, পালিনেতাবোৰক সাত ঘাটৰ সৈয়াকণী, সিয়ান বিষয়াবোৰে টকা ঘটাৰ সহজ ৰাস্তাবোৰ দেখুৱাই দিলে। ৰাজ্যৰ উন্নয়নৰ নামত অহা পইচাৰ ভাগ-বটোৱাৰা হ'ল মন্ত্ৰী-নেতা-ঠিকাদাৰ আৰু বিষয়াৰ মাজত। ৰাইজৰ উন্নতি তল পৰিল। আনকি ছবছৰে ছহেজাৰ মানুহক বলি দি কৰা আন্দোলনৰ কথাও পাহৰিলে আটাইবোৰে। অবৈধ বিদেশীক দেশী কৰি নাগৰিকত্ব প্ৰদান কৰাৰ চুক্তিখনত চহী কৰা নেতাসকলৰপৰা আৰু কিয়েইবা আশা কৰিব পাৰি? ৰাজখোৱায়ো সুযোগ ল'লে। ৰাস্তাত চেকগে'ট পাতি টকা ঘটাৰ পুৰণি আৰু চকুত বিসদৃশ লগা খেলটোতকৈ চোৰ-ডকাইত-ক'লা বেপাৰী, চোৰাং কাৰবাৰীৰ লগত হাত মিলাই ঘটা ধনৰ টোপোলা অনেক গুণ বেছি গধুৰ যেন দেখি তেওঁ সেই পথ ল'লে। অচিৰেই ৰাজখোৱাই অন্ধকাৰ জগতৰ ৰজা-মহাৰজাৰ প্ৰিয়পাত্ৰ চিপাহীৰ স্বীকৃতি পালে। দেধাৰ টকা-পইচা আহিল হাতলৈ। নামে-বেনামে ৰাজ্যখনৰ কেইবাঠাইতো মাটি-সম্পত্তি কৰিলে। অকল ৰাজধানী চহৰখনতেই দুবিঘা সোণৰ সমান মূল্যৰ মাটি আছে ৰাজখোৱাৰ। নগদ টকাবোৰ লগত ৰখা নিৰাপদ নহয় জানি বহিৰাগত ব্যৱসায়ী, ঠিকাদাৰৰ লগত ৰাখিলে। দুই-তিনি কোটি মান অৱশ্যে নিজৰ লগতো ৰাখে ডাঙৰীয়াই। হস্কিলে-মস্কিলে লাগে বুলিলেই যাতে হাত দিব পাৰে!

নিম্ন মধ্যবিত্ত ঘৰৰ ল'ৰা আছিল অৰবিন্দ। খিলঞ্জীয়া মানুহখিনিৰ মাজত নিম্ন মধ্যবিত্ত পৰিয়ালৰ মানুহখিনি আচলতে দাৰিদ্ৰ্য সীমাৰেখাৰ সামান্য ওপৰত থকা লোক। দুপুৰামান খেতিমাটি, তিনি বা চাৰিকোঠলীয়া অসম আৰ্হিৰ একোটা ঘৰ, দুজোপামান বাঁহেৰে সৈতে লাও-বেঙেনা-কচু-জলকীয়াৰ খেতি কৰিব পৰা সৰু বাৰী এখন, বাকৰাজ সাপক ৰখীয়া কৰি সজা সৰু ভঁৰালঘৰ এটা, পানীখোৱা কুঁৱা বা পুখুৰী এটা, চেইনকভাৰ নলগোৱা ছাইকেল এখনতকৈ বেছি সম্পত্তি কোনো এটা পৰিয়ালতে নাছিল। সাধাৰণতে ঘৰৰ মুৰব্বী মানুহটোৱে খেতিবাতি কৰিছিল আৰু সেই পইচাৰেই পৰিয়ালটোক পোহপাল দিয়াৰ লগতে ল'ৰা-ছোৱালীক চৰকাৰী স্কুলত পঢ়া-শুনাখিনিও কৰোৱাইছিল। অৰবিন্দ ৰাজখোৱাৰ দেউতাক বিনন্দ ৰাজখোৱাই তেনেকৈয়ে ছটা ল'ৰা-ছোৱালী আৰু ঘৈণীয়েকৰ সৈতে সংসাৰ কৰি আছিল। ল'ৰা-ছোৱালীবোৰ ডাঙৰ হৈ অহাৰ লগে লগে দুপুৰা মাটিৰ খেতিৰে পৰিয়ালটোক পোহপাল দিয়া টান হৈ আহিছিল। আহৰি সময়খিনিত সেয়ে মানুহজনে সৰু-সুৰা বেপাৰ-বণিজ কৰিবলৈ লৈছিল। গাঁৱৰ মানুহৰ প্ৰায়খিনিৰে অৱস্থা একেই আছিল। কিন্তু বিনন্দ ৰাজখোৱাৰ নিচিনাকৈ আনবোৰে কথাবোৰ ভাবিব পৰা নাছিল। ৰাজখোৱাই যেতিয়া মানুহৰ ঘৰে ঘৰে গৈ বাৰীত হোৱা আম-কঁঠাল, জাতি আৰু ভলুকাবাঁহ, লাও-বেঙেনা, নেমু-কেৰেলা গোটাই বজাৰলৈ নি বেপাৰখন আৰম্ভ কৰিছিল সেইখিনি মানুহে ৰাজখোৱাক মহাজন হ'ল বুলি পেংলাই কৰিছিল। আন্দোলনটো আৰম্ভ হোৱাৰ সময়লৈ ৰাজখোৱাৰ বেপাৰখন বেচ টনকিয়াল হৈ আহিছিল। লাও-বেঙেনা, কল-কুঁহিয়াৰৰ লগত তেওঁ ধান-মাহ-সৰিয়হ-মৰাপাটৰ বেপাৰো কৰিবলৈ লৈছিল। ক্লাছ এইট পোৱা বৰপুতেক অৰবিন্দকো বাপেকে বেপাৰৰ অ-আ, ক-খ শিকাই লৈছিল। স্কুল বন্ধ থাকিলে সাপ্তাহিক বজাৰ দুখনমানলৈও লৈ গৈছিল। পুতেকে দুখনমান বজাৰ ঘূৰাৰ পাছতে বহুত কথা শিকি ল'লে। মাছে পানী পালে জীৱন পোৱাৰ দৰে বেপাৰ-বণিজৰ জগতখনলৈ সোমাই অৰবিন্দৰ ভিতৰত থকা বেপাৰী আত্মাটো বাহিৰ ওলাই আহিল। বাপেকৰ লগতে তেৱোঁ এপদ-দুপদকৈ বস্তু আনি বেপাৰ কৰিবলৈ ধৰিলে। গাঁৱৰ মানুহৰ সৰহখিনিয়েই কঠোৰ পৰিশ্ৰমৰ অন্তত দেহাটোক অকণমান সুখ দিবলৈ মলাধঁপাত আৰু চাধা খাইছিল। পুতেকৰ কথামতে বাপেকে প্ৰথমে গাঁৱলৈ বিড়ি, ছিগাৰেট আৰু খৈনী খাব পৰা কিনা চাধাৰ পেকেট আনিলে। নিজৰ শোৱা কোঠালিৰ আলমাৰি এটাত বস্তুবোৰ থৈ যাক যেতিয়া যি লাগে নগদ টকা লৈ দিয়া কৰিলে। ঘৈণীয়েক বাসন্তীয়ে গিৰিয়েক, বৰপুতেক নথকা সময়ত এইখন বেপাৰৰ দায়িত্ব ল'লে। বিদেশী খেদা আন্দোলন আৰম্ভ হোৱালৈ বিনন্দ ৰাজখোৱাই ঘৰতে সামান্য পৰিমাণে ভাং আৰু আফিং ৰখাৰো ব্যৱস্থা কৰিলে। 'বাণিজ্যে বসতে লক্ষ্মী' কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি কম দিনৰ ভিতৰতে ৰাজখোৱাৰ ঘৰখন অকল গাঁওখনৰ ভিতৰতে নহয়, অঞ্চলটোতে ধনী মানুহৰ ঘৰ বুলি জনাজাত হ'ল। নিম্ন মধ্যবিত্তৰপৰা মধ্যবিত্তৰ শাৰীলৈ উঠা ঘৰখন অচিৰেই আন্দোলনকাৰী গোটটোৰ স্থানীয়, জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ নেতাসকলৰো ভাতঘৰ হৈ পৰিল।

ছিগাৰেটত হোপা মাৰি অৰবিন্দই পুৰণি কথাবোৰ পাগুলিয়াই আছিল। আন্দোলন শেষ হোৱাৰ পাছত ৰাজখোৱাৰ ডেকা মনো নেতা হোৱাৰ ফালে ঢাল খাইছিল। কিন্তু একেটা সমষ্টিৰপৰা আন্দোলনক নেতৃত্ব দিয়া গ্ৰুপটোৰ নেতা এজনেও মনোনয়ন বিচাৰিলে। অৰবিন্দক সেইজন নেতাই পুলিছত চাকৰি লোৱাৰ বুদ্ধি দিলে। অৰবিন্দৰো মন গ'ল। নেতা নহ'লেও পুলিছ হ'ব পাৰিলে ক্ষমতাৰ সোৱাদ তেৱোঁ পাব পাৰিব। হোৱাই-নোহোৱাই যাকে-তাকে ধৰি আনি হাজোতত সুমুৱাই থ'ব পৰাটো কম ক্ষমতা নহয়। থানাৰ ছাব-ইন্সপেক্টৰ এজন ক'বলৈ গ'লে নিজা এলেকাৰ ভিতৰত সৰু-সুৰা এজন ৰজাই। আন্দোলনৰ সময়ছোৱাত অৰবিন্দই দেখিছে পুলিছৰ ক্ষমতাৰ জোৰ। মন্ত্ৰী-আমোলাৰপৰা ইঞ্জিনিয়াৰ-ঠিকাদাৰ, ব্যৱসায়ী-চোৰাং কাৰবাৰীলৈকে আটায়ে সমীহ কৰে থানাৰ অ'ছি, জিলাৰ এছপিক। আন্দোলনৰ সময়ছোৱাত অৰবিন্দ নিজেও দুবাৰমান হাজোতত সোমাব লগা হৈছিল। আন্দোলনৰ আগশাৰীৰ নেতা এজনেই তাক বুধিটো শিকাই দিছিল। পুলিছে ধৰিলে প্ৰথমেই অ'ছিজনক যেনে-তেনে টকা কেইটামান দি সন্তুষ্ট কৰি থ'ব লাগে। তেনে কৰিলে মাৰপিট কৰাৰো ভয় নাথাকে আৰু লকআপত মহ-ডাঁহৰ কামোৰ খাই লেতেৰা মজিয়াত শুবও নালাগে। সব বন্দৱস্ত হৈ যায়। অৰবিন্দই সেইবোৰ কায়দা-কিটিপ শিকি লৈছিল। আন্দোলন শেষ হোৱাৰ পাছত চাকৰি কৰাৰ কথা যেতিয়া তাৰ মগজলৈ আহিল সি আৰু কেইশমান টকা দি থানাত থকা তাৰ কীৰ্তি-কাহিনীৰ চিঠাখনো নোহোৱা কৰি পেলালে। যদিও আন্দোলনত জে'ল খটাটো সেইখিনি সময়ত প্লাছ পইণ্টেই আছিল ভৱিষ্যতে চৰকাৰ বদলিলে একেবোৰ কথাই কি ৰূপ লয় তাকে ভাবি সি এই বুধিয়কৰ কামফেৰা কৰি থ'লে।

ৰাজখোৱাই ভৰি দুখন টেবুলৰ ওপৰৰপৰা নমাই ল'লে। ইমান সময়ে খুলি থোৱা কঁকালৰ বেল্টডালো পিন্ধি ল'লে। পেটটো দিনকদিনে ডাঙৰ হৈ গৈছে মানুহটোৰ। বিছ বছৰীয়া চাকৰি জীৱনত দুবাৰকৈ বেল্ট বদলাব লগা হৈছে। পিন্ধি থকাডালৰো দিন প্ৰায় উকলিছিলেই। হুকটো কোনোমতেহে লগাব পাৰিলে ৰাজখোৱাই, কেইবাবাৰো চেষ্টাৰ মূৰত। ইমানকণ কষ্টতে তেওঁৰ কপালত ঘাম বিৰিঙিল। চকীৰ হাতলত থকা ফে'ছ টাৱেলখনেৰে তেওঁ ঘামবোৰ মচি ল'লে। টুপীটো মূৰত সুমুৱাই ৰাজখোৱাই চিঞৰিলে— "পহৰা"।

অ'ছিৰ চেম্বাৰৰ বাহিৰৰ টুল এখনতে জুপুকা মাৰি বহি মহ খেদাই